# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-11-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

অহা ১৭ ডিচেম্বৰ অৰ্থাৎ নিৰ্ধাৰিত তাৰিখৰ পূৰ্বে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব আৰু সকলো কথা পোহৰলৈ আহিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি মৰিগাঁৱত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত এই বিষয়ে উল্লেখ কৰি কয়, যে ১৭ ডিচেম্বৰ অন্তিম দিন ধাৰ্য কৰা হৈছে যদিও ১০ ডিচেম্বৰৰ ভিতৰতে সম্পূৰ্ণ ঘটনা ৰাইজৰ সন্মুখলৈ আহিব পৰা যাব। ৰাজ্য চৰকাৰ আৰু অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে শিল্পীগৰাকীক ন্যায় প্ৰদানৰ বাবে অহৰহ কাম কৰি আছে আৰু বিস্ফোৰক তথ্য লাভ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ইপিনে, জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু ঘটনাৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে ছিংগাপুৰ আৰক্ষীৰ পৰা কালি তিনিটা গুৰুত্বপূৰ্ণ তথ্য লাভ কৰে। এছ আই টিৰ মুৰববী মুন্নাপ্ৰসাদ গুপ্তাই সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ অধীনত বিশেষ তদন্তকাৰী গোটে ছিংগাপুৰ আৰক্ষীৰ পৰা কিছু তথ্য বিচাৰিছিল। ইয়াৰ ভিত্তিতে ছিংগাপুৰ আৰক্ষীয়ে বিশেষ তদন্তকাৰী গোটক এই তথ্য যোগান ধৰিছে। ছিংগাপুৰৰ আৰক্ষীয়ে জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰু টক্সিক'লজি প্ৰতিবেদন কালি প্ৰদান কৰা বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে ছিংগাপুৰ বন্দৰ আৰু সামুদ্ৰিক কৰ্তৃপক্ষৰ পৰাও বিশেষ তদন্তকাৰী গোটে নথি লাভ কৰিছে। ইয়াৰ জৰিয়তে তদন্ত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহায় হ'ব বুলি শ্ৰীগুপ্তাই উল্লেখ কৰে।

**বাইট**

তদুপৰি ছিংগাপুৰৰ য়টৰ নাৱিকৰ ভাষ্য গ্ৰহণ কৰি ছিংগাপুৰ আৰক্ষীয়ে অসম আৰক্ষীলৈ প্ৰেৰণ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত সাক্ষ্য প্ৰদানৰ বাবে এইপৰ্যন্ত চি আই ডি কাৰ্যালয়লৈ শতাধিক লোকক মতা হৈছে বুলি তেওঁ কয়। কালি তদন্তকাৰী গোটে ব্যৱসায়ী ঋষিৰাজ বৰকটকী আৰু অভিনেতা পাৰ্থ হাজৰিকাৰ ভাষ্য গ্ৰহণ কৰে।

০০০০

গুৱাহাটী মহানগৰীৰ শতাধিক নাগৰিকে আজি পুৰা মৰা ভৰলুৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণৰ উদ্দেশ্যে মানৱ শৃংখল গঠন কৰে। চেভ ভৰলু অভিযানৰ সদস্যসকলৰ সৈতে একেলগে বৰ্ষাপাৰাত মৰা ভৰলুৰ পাৰত পুৱা ৭ বজাত এই নাগৰিকসকলে হাতত ধৰাধৰিকৈ থিয় হৈ ভৰলুক ৰক্ষা কৰাৰ হকে এই কাৰ্যসূচী গ্ৰহণ কৰে। চিকিৎসক তথা সমাজকৰ্মী ডাঃ হীতেশ বৰুৱা, নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক ডাঃ অপূৰ্ব ভট্টাচাৰ্য্য, চলচ্চিত্ৰ পৰিচালক দীপ চৌধুৰী, ৱাৰ্ড পাৰিষদ মঞ্জুলা দেৱীকে ধৰি বহু নাগৰিকে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। চেভ ভৰলু অভিযানৰ সভাপতি ডাঃ ৰবীন মজুমদাৰে বশিষ্ঠৰ কালিমন্দিৰৰ দাতিৰ শ্লুইছ গেটৰ অপ্ৰয়োজনীয় ভেটা আঁতৰাই বাহিনী নৈক নিজৰ বাটেৰে ববলৈ দিয়াৰ পৰামৰ্শ কাৰ্যকৰী কৰিবলৈ আহ্বান জনায়।

০০০০০০০

রাজ্যৰ বিভিন্ন প্ৰান্তত সমাগত ৰাস মহোৎসৱৰ প্ৰস্তুতি আৰম্ভ হৈছে। শিৱসাগৰ বেটবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পৰহিলৈ দুদিনীয়া কাৰ্যসূচীৰে শ্ৰীশ্ৰীকৃষ্ণ ৰাসলীলা মহোৎসৱ অনুষ্ঠিত হ'ব। শ্ৰীশ্ৰীশংকৰদেৱ কৃষ্টি বিকাশ সমিতিৰ উদ্যোগত উদযাপিত হবলগীয়া এই ৰাস মহোৎসৱত বিভিন্ন কাৰ্যসূচী প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে স্থানীয় শিল্পী তথা কলা কুশলীসকলে আখৰা অব্যাহত ৰাখিছে। এই উৎসৱৰ সময়ছোৱাত অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈও বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০০০

ৰাজ্য চৰকাৰে জাননী জাৰি কৰা হোজাই জিলাৰ যমুনা-মৌডেঙা বনাঞ্চলৰ দখলিকৃত ভূমি দখলমুক্ত কৰাৰ ক্ষেত্ৰত স্থিতাৱস্থা বাহাল ৰাখিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছে। যোৱা ১৩ অক্টোবৰত হোজাই বন সংমণ্ডলৰ ডবকাৰ এই ভূমি দখল হোৱা বুলি চিহ্নিত কৰি প্ৰশাসনে ১৫ দিনৰ ভিতৰত বাসস্থান খালী কৰাৰ বাবে ৬০০ পৰিয়াললৈ জাননী জাৰি কৰিছিল। এই জাননীক প্ৰত্যাহ্বান জনাই দাখিল কৰা চাৰে ৩০০ আৱেদনৰ ভিতৰত এখন শুনানী গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ পি এছ্ নৰসিংহ আৰু ন্যায়াধীশ আৰ মহাদেৱনৰ খণ্ড বিচাৰপীঠে আৱেদনখন নিষ্পত্তি নোহাৱা পৰ্যন্ত দুয়োপক্ষকে স্থিতাৱস্থা বাহাল ৰাখিবলৈ নিৰ্দেশ দিয়ে। আদালতে চৰকাৰৰ বন বিভাগ, হোজাই জিলা প্ৰশাসন আদি পদকীয়া পক্ষসমূহলৈ জাননী জাৰি কৰে। ১৪ নৱেম্বৰ আৱেদনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে। সেইদিনা উচ্চতম ন্যায়ালয়ে ৰাজ্য চৰকাৰৰ উচ্ছেদৰ জাননীক প্ৰত্যাহ্বান জনাই গোলাঘাট জিলাৰ দৈয়াং আৰু নামবৰ সংৰক্ষিত বনাঞ্চলৰ কমেও ৭০টা পৰিয়ালে দাখিল কৰা আন দুখনৰ আৱেদনৰ সৈতে হোজাইৰ লোকসকলৰ আৱেদনৰ শুনানিও গ্ৰহণ কৰিব। উল্লেখযোগ্য যে, নামবৰ আৰু দৈয়াঙৰ আৱেদনকাৰী পৰিয়ালসমূহৰ ক্ষেত্ৰতো স্থিতাৱস্থা বাহালৰ নিৰ্দেশ কাৰ্যকৰী হৈ আছে।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

.....................................